**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-03-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

00000

১। কেৰেলামৰ ভৌগোলিক স্থিতি, জলবায়ু আৰু প্ৰযুক্তিৰ বিশেষত্বই ৰাজ্যখনক বিভিন্ন ক্ষেত্ৰৰ উপযুক্ত গন্তব্য স্থান হিচাপে পৰিগণিত কৰিছে বুলিপ্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। ৰাজ্যসভাত আজি গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ে কাম-কাজ সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হয়।

৩। কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী উদ্যমসমূহৰ বিষয়ে তথ্য আহৰণৰ উদ্দেশ্যে জাৰ্মানীৰ এটা প্ৰতিনিধি দল আজি নতুন দিল্লীৰ নীতি আয়োগৰ কাৰ্য্যালয়ত উপস্থিত হয়।

৪। ছত্তিশগড়ত আজি ৪৪ গৰাকী মহিলা সদস্যকে ধৰি ১০৮ গৰাকী মাওবাদীয়ে আত্মি-সমৰ্পণ কৰে।

*আৰু*

৫। নতুন দিল্লীত আজিৰে পৰা বিশ্ব পেৰা-এথলেটিকছ্ গ্ৰাঁ প্ৰী-২০২৬ আৰম্ভ হৈছে

00000

কেৰেলামৰ ভৌগোলিক স্থিতি, জলবায়ু আৰু প্ৰযুক্তিৰ বিশেষত্বই ৰাজ্যখনক বিভিন্ন ক্ষেত্ৰৰ উপযুক্ত গন্তব্য স্থান হিচাপে পৰিগণিত কৰিছে বুলিপ্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। কেৰেলামৰ কোচিত **মোদীৰ সৈতে বিকশিত কেৰেলাম** শীৰ্ষক এন ডি এ মিত্ৰজোঁটৰ এখন বৈঠকত সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয়, যে পৰ্য্যটন, দক্ষতা আৰু প্ৰযুক্তি খণ্ডত নতুন সুযোগ প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে পশ্চিম এছিয়াত ভাৰতীয়সকলৰ সুৰক্ষা সুনিশ্চিত কৰা হ'ব বুলিও নিশ্চিতি দিয়ে। তেওঁ কয়, যে পশ্চিম এছিয়াৰ এই দুৰ্য্যোগে আত্ম-নিৰ্ভৰতা যে অত্যন্ত গুৰুত্বপূৰ্ণ, সেই কথা ভাবিবলৈ বাধ্য কৰাইছে। তেওঁ লগতে কয়, যে সৌৰ প্ৰকল্প আৰু বৈদ্যুতিক যান-বাহনসমূহে শক্তি খণ্ডত আনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিব। প্ৰধানমন্ত্ৰীয়ে এল ডি এফ আৰু ইউ ডি এফক দুৰ্নীতিৰ অংশীদাৰ বুলি অভিযোগ কৰি কয়, যে যদিও দল দুটাৰ নাম পৃথক তথাপি ৰাজ্যখনৰ বিকাশত বাধা প্ৰদান কৰাৰ ক্ষেত্ৰত তেওঁলোক সমানে দায়ী। প্ৰধানমন্ত্ৰীয়ে কয়, যে ত্ৰিশূৰ, তিৰুৱনন্তপুৰম আৰু আন পঞ্চায়তসমূহে এন ডিৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে। কেৰেলামৰ জনসাধাৰণৰ পৰাও এই সঁহাৰি লাভ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

00000

ৰাজ্যসভাত আজি গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ে কাম-কাজ সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হয়। আম আদমী পাৰ্টিৰ সঞ্জয় সিঙে চৰকাৰক সমালোচনা কৰি কয়, যে কেন্দ্ৰীয় বাজেটৰ মাত্ৰ ৩ দশমিক ৬ শতাংশহে গ্ৰাম্য উন্নয়নৰ বাবে আবণ্টন কৰা হৈছে। তেওঁ জল-জীৱন অভিযানত ব্যাপক দুৰ্নীতি হোৱা বুলি অভিযোগ কৰি কয়, যে ইয়াৰ ফলত দেশৰ জনসাধৰাণ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। চি পি আইৰ পি পি সুনীৰে কয়, যে গ্ৰাম্য

উন্নয়ন কেৱল বাজেটৰ এটা বিষয় নহয়, বৰঞ্চ দেশৰ সৰ্বাত্মক উন্নয়নৰ মেৰুদণ্ড। তেওঁ কয়, যে দেশৰ ২ তৃতীয়াংশতকৈও অধিক লোক গ্ৰামাঞ্চলত বাস কৰে আৰু তেওঁলোকৰ জীৱন-ধাৰণ, আন্তঃগাঁথনি আৰু সামাজিক সুৰক্ষা গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ে নিৰ্ধাৰণ কৰা নীতি আৰু আবণ্টনৰ ওপৰত যথেষ্ট নিৰ্ভৰশীল। শ্ৰীসুনীৰে কয়, যে দেশৰ গ্ৰামাঞ্চলসমূহে নিবনুৱা সমস্যা, আন্তঃগাঁথনি আৰু অসমতা আদিৰ দৰে প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হৈ আহিছে। তেওঁ গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে যাতে চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে, তাৰ দাবী তোলে। বিজেপিৰ ৰেখা শৰ্মাই কয়, যে চৰকাৰে দেশৰ গ্ৰামাঞ্চলত বাস কৰা ৬৫ শতাংশ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিছে। নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে যত্ন কৰিব বুলি উল্লেখ কৰি শ্ৰীশৰ্মাই কয়, যে এইবাৰৰ কেন্দ্ৰীয় বাজেটত গ্ৰামাঞ্চলত ১ লাখ ৯৪ হাজাৰ কোটি টকাৰ আবণ্টন দিয়া হৈছে। চৰকাৰৰ এই সিদ্ধান্তই গ্ৰামাঞ্চলৰ উন্নয়নৰ উন্নয়নৰ প্ৰতি থকা চৰকাৰৰ প্ৰতিশ্ৰুতিৰদ্ধতাকে প্ৰতিফলিত কৰিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী উদ্যমসমূহৰ বিষয়ে তথ্য আহৰণৰ উদ্দেশ্যে জাৰ্মানীৰ এটা প্ৰতিনিধি দল আজি নতুন দিল্লীৰ নীতি আয়োগৰ কাৰ্য্যালয়ত উপস্থিত হয়। প্ৰতিনিধি দলটোৱে অভিলাষী জিলা কাৰ্য্যসূচী আৰু অভিলাষী খণ্ডৰ কাৰ্য্যসূচীৰ বিভিন্ন বিষয় সন্দৰ্ভত বিশ্লেষণ কৰিব। জিলা আৰু খণ্ড পৰ্য্যায়ত যাতে বিকাশৰ গতি ত্বৰান্বিত কৰাৰ লগতে সেৱাৰ মান উন্নীত কৰিব পৰা যায়, তাৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নীতি আয়োগে এটা বিবৃতিত কয়, যে অতিৰিক্ত সচিব আৰু মিচন সঞ্চালক ৰোহিত কুমাৰৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত এই প্ৰতিনিধি দলটোক উদ্যমসমূহৰ আৰ্হি, কাৰ্য্য-ৰূপায়ণৰ পৰিকাঠামো আৰু প্ৰভাৱৰ বিষয়ে অৱগত কৰোৱা হয়। এই পদক্ষেপৰ জৰিয়তে স্বাস্থ্য, শিক্ষা, কৃষি, প্ৰাথমিক আন্তঃগাঁথনিৰ উন্নয়নৰ লক্ষ্য লোৱা হৈছে। ষ্টিফেন ট্ৰেজাৰৰ নেতৃত্বৰ জাৰ্মান প্ৰতিনিধি দলটোৱে এই কাৰ্য্যসূচীৰ অধীনত লাভ কৰা সফলতাৰ প্ৰশংসা কৰে।

০০০০০

নীতি আয়োগে আজি নতুন দিল্লীত ৰাজকোষীয় স্বাস্থ্য সূচ্যাংক-২০২৬ দ্বিতীয় বাৰ্ষিক সংস্কৰণ মুকলি কৰে। দেশৰ ৰাজ্যসমূহত ৰাজকোষীয় স্বাস্থ্য সৰলীকৰণৰ বাবে ভালেমান নীতিক এই প্ৰতিবেদনত অগ্ৰাধিকাৰ দিয়া হৈছে। ৰাজ্যসমূহে নিজাববীয়াকৈ কৰ সংগ্ৰহৰ সামৰ্থ্য বৃদ্ধি কৰা আৰু পুঁজিগত ব্যয় সংশোধন কৰাত গুৰুত্ব দিয়া হৈছে। আজিৰ বৈঠকত নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেৰী আৰু মুখ্য কাৰ্য্যবাহী বিষয়া নিধি শিৱাৰে দেশৰ বিকাশ গাঁথাত ৰাজ্যসমূহৰ ৰাজকোষীয় স্বাস্থ্য সূচ্যাংকৰ বিভিন্ন দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ফ্ৰান্সৰ বৈদেশিক মন্ত্ৰী জন নয়েল বেৰটৰ সৈতে পশ্চিম এছিয়াৰ সংঘাত সন্দৰ্ভত আলোচনা কৰে। ড০ জয়শংকৰে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা প্ৰকাশ কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জল সংৰক্ষণ দেশৰ প্ৰতিগৰাকী নাগৰিকৰ দায়িত্ব বুলি মত প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি অনুষ্ঠিত জল মহোৎসৱ-২০২৬ত অংশগ্ৰহণ কৰি তেওঁ লগতে পানীক অত্যন্ত মূল্যৱান সম্পদ হিচাপে গণ্য কৰি পৰৱৰ্তী প্ৰজন্মৰ সমূহৰ বাবে ইয়াৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

00000

উচ্চতম ন্যায়ালয়ে দেশত প্ৰথমবাৰৰ বাবে ইচ্ছা মৃত্যুৰ অনুমতি প্ৰদান কৰিছে। ন্যায়ালয়ে প্ৰায় ১২ বছৰ ধৰি সংজ্ঞাহীন আৰু সম্পূৰ্ণ অক্ষম অৱস্থাত চিকিৎসাধীন হৈ থকা হৰিশ ৰাণা নামৰ এগৰাকী ব্যক্তিৰ কৃত্ৰিম জীৱনৰক্ষা প্ৰণালী বন্ধ কৰাত অনুমতি প্ৰদান কৰিছে। ২০১৩ চনত চতুৰ্থ মহলাৰ পৰা পৰি মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা ৩২ বছৰীয়া লোকজন দিল্লীৰ অখিল ভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান- এইমছত কৃত্ৰিম জীৱনৰক্ষা প্ৰণালীৰ সহায়ত চিকিৎসাধীন হৈ আছিল। উল্লেখযোগ্য যে বিগত সময়ছোৱাত হৰিশ ৰাণাৰ কৃত্ৰিম জীৱনৰক্ষা প্ৰণালী বন্ধ কৰাৰ অনুমতি বিচাৰি তেওঁৰ পৰিয়ালে আদালতত কেইবাবাৰো আবেদন দাখিল কৰিছিল।

00000

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীত লক্ষ্মীবাঈ নেচনেল ইনষ্টিটিউট অৱ ফিজিকেল এডুকেচনৰ পৰিচালনা সমিতিৰ বৈঠকত অধ্যক্ষতা কৰে। দেশত ক্ৰীড়াৰ বিকাশ সাধন কৰাৰ বাবে আৰু শাৰীৰিক শিক্ষা প্ৰসাৰিত কৰাৰ বাবে এই প্ৰতিষ্ঠানক আৰু অধিক সমৃদ্ধিশালী কৰিবলৈ তেওঁ বৈঠকত পৰামৰ্শ আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে বিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ পৰা প্ৰাথমিক পৰ্য্যায়তে ক্ৰীড়া প্ৰতিভা চিনাক্ত কৰাৰ বাবে শাৰীৰিক শিক্ষাৰ শিক্ষকসকলৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ড০ মন্দাভিয়াই যুৱ প্ৰজন্মৰ মাজত ক্ৰীড়া প্ৰতিযোগিতাত অধিক অংশগ্ৰহণ, শাৰীৰিক সাক্ষৰতা আৰু স্বাস্থ্যৰ যতনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দেশত ক্ৰীড়াৰ পৰিকাঠামো অধিক শক্তিশালী কৰি তোলাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে।

00000

কেন্দ্ৰীয় চৰকাৰে আজি জানিবলৈ দিছে যে, ২৪ লাখৰো অধিক চাইবাৰ জালিয়াতিৰ অভিযোগৰ বাবে ৮ হাজাৰ ৬০০ কোটিৰো অধিক বিত্তীয় লেন-দেন ৰোধ কৰিবলৈ সমৰ্থ হৈছে। ৰাজ্যসভাত আজি এটা লিখিত উত্তৰত গৃহ দপ্তৰৰ ৰাজ্য মন্ত্ৰী বি সঞ্জয় কুমাৰে কয়, যে চলিত বৰ্ষৰ ৩১ জানুৱাৰীলৈকে ২৩ লাখৰো অধিক সন্দেহজনক তথ্য বেংকসমূহৰ পৰা লাভ কৰা হয়। তেওঁ কয়, যে ২৭ লাখৰো অধিক সন্দেহজনক একাউণ্টৰ পৰা ৯ হাজাৰ ৫১৮ কোটি টকাৰ লেন-দেন কৰাৰ পৰা বাধা দিয়া হয়।

00000

ছত্তিশগড়ত আজি ৪৪ গৰাকী মহিলা সদস্যকে ধৰি ১০৮ গৰাকী মাওবাদীয়ে আত্ম-সমৰ্পণ কৰে। বস্তাৰ অঞ্চলৰ জগদলপুৰৰ আৰক্ষীৰ শীৰ্ষ বিষয়াৰ সন্মুখত মাওবাদীসকলে আত্ম-সমৰ্পণ কৰে। আত্ম-সমৰ্পণকাৰী সদস্যসকলৰ বাবে ৩ কোটি ২৯ লাখ টকা আৰ্থিক সাহায্য ঘোষণা কৰা হৈছে। তেওঁলোকৰ পৰা এ কে ফ'ৰ্টি চেভেন ৰাইফল, মেচিনগান, গ্ৰেনেডকে ধৰি ১০১ বিধ অস্ত্ৰ-শস্ত্ৰ জব্দ কৰা হৈছে। ইয়াৰ উপৰি ৩ কোটি ৬০ লাখ নগদ ধন আৰু ১ কিলোগ্ৰাম সোণ জব্দ কৰা হৈছে। ২০২৪ বৰ্ষৰ ১ জানুৱাৰীৰ পৰা আজি পৰ্য্যন্ত এই অঞ্চলটোৰ দুহেজাৰ ৬২৫ গৰাকী মাওবাদীয়ে আত্ম-সমৰ্পণ কৰি সমাজৰ মূল সুঁতিলৈ উভতি আহিছে।

০০০০০

নতুন দিল্লীত আজিৰে পৰা বিশ্ব পেৰা-এথলেটিকছ গ্ৰাঁ প্ৰী-২০২৬ আৰম্ভ হৈছে। সুমীত অনটিল, প্ৰবীণ কুমাৰ, মেৰিয়াপ্পান থাংগাভেলুকে ধৰি দেশৰ কেইবাগৰাকীও শীৰ্ষ পেৰা এথলিটে এই প্ৰতিযোগিতাত ভাগ ল'ব। তিনিদিনীয়াকৈ অনুষ্ঠিত এই ক্ৰীড়া মহোৎসৱৰ পৰহিলৈ সামৰণি পৰিব। এই ক্ৰীড়া মহোৎসৱত এথলেটিকছৰ কেইবাটাও শাখাৰ খেল অনুষ্ঠিত হ'ব। ভাৰত, ৰাছিয়া, নেপাল, ভুটান, হংকং, ছাৰ্বিয়া, ব'ছনিয়া আৰু ইজিপ্তে এই প্ৰতিযোগিতাত ভাগ লৈছে। প্ৰতিযোগিতাত সৰ্বাধিক ভাৰতীয় এথলিটে অংশগ্ৰহণ কৰিছে। যোৱা বছৰ অনুষ্ঠিত এই প্ৰতিযোগিতাত ভাৰতে সৰ্বাধিক ১৪৩ টা পদক লাভ কৰিছিল

০০০০০

সমাপ্ত